**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব।

২। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি বিশ্ব গ্ৰন্থমেলা আৰম্ভ হ'ব।

৩। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ তিনিটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে।

৪। কেন্দ্ৰীয় চৰকাৰে ৪টা নতুন ৰামছৰ ক্ষেত্ৰ ঘোষণা কৰিছে। **আৰু**

৫। পুণেত অনুষ্ঠিত ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত কালি ভাৰতে ইংলেণ্ডক ১৫ ৰাণত পৰাস্ত কৰে।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। এয়া হ'ব নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো শাসনকালৰ দ্বিতীয়খন সাধাৰণ বাজেট। মোদী চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি যোৱা বছৰ সমূহৰ দৰে এইবাৰো পৃথকে কোনো ৰে'ল বাজেট উত্থাপন কৰা নহয়। মূল কেন্দ্ৰীয় বাজেটতে বিত্তমন্ত্ৰী সীতাৰমণে ৰে'ল বিভাগৰ বাবে পৰৱৰ্তী বিত্তীয় বছৰৰ আয়-ব্যয়ৰ খতিয়ান আৰু আঁচনি দাঙি ধৰিব। উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায় অহা ১৩ ফেব্ৰুৱাৰীলৈ আৰু দ্বিতীয় পৰ্যায় ১০ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ অনুষ্ঠিত হ'ব। বিত্ত মন্ত্ৰীয়ে আজি বাজেট দাখিল কৰি সদনত দিয়া ভাষণ আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাত দিনৰ ১০ বাজি ১০ মিনিটৰ পৰা এই বাজেট ভাষণ প্ৰচাৰিত হ'ব। বিত্তমন্ত্ৰীৰ বাজেট ভাষণৰ পাছতে আমাৰ দিনৰ এক বাজি ৪০ মিনিটত প্ৰচাৰিত হ'বলগীয়া বাতৰি প্ৰচাৰিত হ'ব। এই পোনপটীয়া অনুষ্ঠানৰ বাবে আমাৰ আমাৰ দুপৰীয়া ১২ বাজি ৫ মিনিটৰ বাতৰি প্ৰচাৰিত নহয়।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদৰ উভয় সদনত প্ৰাক বাজেট অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। এই সমীক্ষাত ২০২৫-২৬ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৪ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। তদুপৰি দেশৰ বিত্তীয় শৃংখলাও ক্ৰমাগতভাৱে বৃদ্ধি পোৱা বুলি কোৱা হৈছে। ২০১৭-১৮ চনৰ তুলনাত ১৫ বছৰ উৰ্ধৰ নিবনুৱাৰ হাৰ ৬ শতাংশৰ পৰা ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে বুলি অৰ্থনৈতিক সমীক্ষাত কোৱা হৈছে।

এই সমীক্ষাত প্ৰকাশ কৰা মতে চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয়টো ত্ৰিমাসিকত কৃষি খণ্ডৰ বিকাশৰ হাৰ ৩ দশমিক ৫ শতাংশ হোৱাৰ ফলত বিত্তীয় বৰ্ষৰ প্ৰথমাৰ্ধত কৃষি খণ্ডৰ বিকাশৰ হাৰ অপৰিৱৰ্তিত হৈ আছে। চলিত বিত্তীয় বৰ্ষৰ প্ৰথমাৰ্ধত ঔদ্যোগিক খণ্ডৰ বিকাশ ৬ শতাংশ বৃদ্ধি হৈছে আৰু প্ৰথম ত্ৰিমাসিকত ইয়াৰ বিকাশৰ হাৰ ৮ দশমিক ৩ শতাংশ বৃদ্ধি হৈছিল। সেৱা খণ্ডত প্ৰথমাৰ্ধত বিকাশৰ হাৰ ৭ দশমিক ১ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। সমীক্ষা অনুসৰি দেশৰ বিত্ত খণ্ড ক্ৰমান্বয়ে উন্নত হৈছে।

০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি বিশ্ব গ্ৰন্থমেলা আৰম্ভ হ'ব। এই বছৰৰ বিশ্ব গ্ৰন্থমেলাৰ মূল বিষয় হৈছে- **আমি ভাৰতৰ জনসাধাৰণ**। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি এই বিষয়টো গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুই ৯ দিনীয়াকৈ আয়োজিত এই গ্ৰন্থমেলা উদ্বোধন কৰিব। নেচনেল বুক ট্ৰাষ্টৰ সঞ্চালক যুৱৰাজ মালিকে আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত কয়, যে এইবাৰৰ বিশ্ব গ্ৰন্থমেলাত ৰাছিয়াই মুখ্য দেশ হিচাপে ভাগ ল'ব। ফ্ৰান্স, আৰ্জেণ্টিনা, স্পেইন, কলম্বিয়া, আবু ধাবি আৰু কাটাৰকে ধৰি ৫০ খন দেশে এই গ্ৰন্থমেলাত অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাত দুহেজাৰৰো অধিক প্ৰকাশক আৰু প্ৰায় এহেজাৰ বক্তাই ভাগ ল'ব।

০০০০০

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ তিনি দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। প্ৰায় আটাইবোৰ প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি-পৰি লাগিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে জনসাধাৰণৰ সমৰ্থন আদায়ৰ বাবে জনসভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাসকলৰ ঘৰে ঘৰে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ দ্বাৰকাত এখন জনসভাত অংশ লৈ দিয়া ভাষণত কয়, যে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ ক্ষিপ্ৰ বিকাশৰ বাবে দ্বৈত ইঞ্জিন চৰকাৰৰ প্ৰয়োজন। শ্ৰীমোদীয়ে কয়, যে দিল্লীৰ জনসাধাৰণক তেওঁলোকৰ সকলো ধৰণৰ প্ৰয়োজন পূৰণ কৰিব পৰা এখন চৰকাৰৰ প্ৰয়োজন। দিল্লীৰ আম আদমী পাৰ্টীৰ চৰকাৰখনক দুৰ্নীতি পৰায়ণ আৰু শোষণকাৰী বুলি অভিযোগ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে বিজেপি ক্ষমতালৈ আহিলে দিল্লী কেৱল ৰাজধানী চহৰসমূহৰ বাবে নহয় বৰঞ্চ গ্ৰামাঞ্চলৰ বাবে আদৰ্শ হিচাপে পৰিচিত হ'ব। শ্ৰীমোদীয়ে কয়, যে বিজেপিয়ে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি সময় অনুসৰি পূৰণ কৰিব। তেওঁ লগতে বিগত ১১ বছৰে বৈ যোৱা কামসমূহ সম্পূৰ্ণ কৰা হ'ব বুলিও আশ্বাস দিয়ে। ইপিনে আম আদমী পাৰ্টিৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে দিল্লীত বাস কৰা একোটা পৰিয়ালে আপ চৰকাৰৰ বিভিন্ন আঁচনিৰ সুবিধা গ্ৰহণেৰে মাহিলী ৫০ হাজাৰ টকাকৈ সাঁচিব পাৰে বুলি দাবী কৰে। গান্ধী নগৰত কালি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলাই শ্ৰীকেজৰিৱালে বিজেপি চৰকাৰে আপে আৰম্ভ কৰা কল্যাণমূলক আঁচনিসমূহ বন্ধ কৰি দিব বুলি উল্লেখ কৰে।

কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কালি নাংলৈজাত বিধানসভা সমষ্টিৰ এটা ৰোড শ্ব'ত অংশ লয়। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ বিৰোধী নেতা ৰাহুল গান্ধীয়ে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত কালি মাদিপুৰ সমষ্টিত এখন জনসভাত ভাগ লয়। শ্ৰীগান্ধীয়ে যমুনা নদীৰ প্ৰদূষণ সন্দৰ্ভত আপৰ মন্তব্যৰ সমালোচনা কৰাৰ লগতে বিজেপিয়ে জনসাধাৰণৰ মাজত ঘৃণা বিয়পাইছে বুলি অভিযোগ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ৪টা নতুন ৰামছৰ ক্ষেত্ৰ ঘোষণা কৰিছে। ইয়াৰ ফলত দেশত মুঠ ৰামছৰ ক্ষেত্ৰৰ সংখ্যা ৮৯ লৈ বৃদ্ধি পাইছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে বিশ্ব আৰ্দ্ৰ ভূমি দিৱসৰ পূৰ্বে তামিলনাডুৰ ছাক্কাৰাকুট্টাই পক্ষী উদ্যান আৰু তাৰথাংগল পক্ষী উদ্যান, ছিকিমৰ খেচেউপালৰী আৰ্দ্ৰ ভূমি আৰু ঝাৰখণ্ডৰ উধৱা হ্ৰদক ৰামছৰ ক্ষেত্ৰৰ অন্তৰ্ভুক্ত কৰিছে। কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে এই প্ৰসংগত কয়, যে ভাৰতত বিশ্বৰ ভিতৰত তৃতীয় সৰ্বাধিক আৰু এছিয়াৰ ভিতৰত সৰ্বাধিক সংখ্যক ৰামছৰ ক্ষেত্ৰ আছে। তেওঁ ২০ টা ৰামছৰ ক্ষেত্ৰৰে শীৰ্ষত থকা তামিলনাডু চৰকাৰক অভিনন্দন জনায়। ৰামছৰ

ক্ষেত্ৰৰ তালিকাত প্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত হোৱা ছিকিম আৰু ঝাৰখণ্ডৰ বাবে এয়া বিশেষ সাফল্য বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

পুণেত অনুষ্ঠিত ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত কালি ভাৰতে ইংলেণ্ডক ১৫ ৰাণত পৰাস্ত কৰে। ভাৰত সম্প্ৰতি শৃংখলাত ৩-১ ব্যৱধানত আগবাঢ়ি আছে। ইংলেণ্ডে ১৮২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬৬ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ ৰবি বিষ্ণয় আৰু হৰ্ষিত ৰাণাই তিনিটাকৈ উইকেট দখল কৰে। বৰুণ চক্ৰৱৰ্তীয়ে একেটা অভাৰতে হেৰী ব্ৰুক আৰু ব্ৰাইড'ন কাৰ্চেৰ গুৰুত্বপূৰ্ণ উইকেট দুটা দখল কৰি ইংলেণ্ডৰ বেটিং লাইন বিধবস্ত কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৮১ ৰাণ সংগ্ৰহ কৰে। হাৰ্দিক পাণ্ডিয়াই ৩০টা বলত ৫৩ ৰাণ কৰাৰ লগতে শিবম ডুবে ৩৬টা বলত ৫৩ ৰাণত সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ ছাকিব মহম্মদে তিনিটাকৈ উইকেট দখল কৰে। শিবম ডুবেক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাটোৰ পঞ্চম তথা অন্তিমখন খেল মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত দেশৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈসকলে সাঁতোৰ, ৰাগবি, চাইক্লিং, ভাৰোত্তোলন, শুটিং আদি বিভিন্ন খেলত নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সমৰ্থ হৈছে। ভাৰোত্তোলনৰ মহিলাৰ ৫৫ কিলোগ্ৰাম শাখাত মণিপুৰৰ বিন্দিয়াৰাণী দেৱীয়ে নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। বিন্দিয়াৰাণীয়ে মীৰাবাঈ ছানুৰ পূৰ্বৰ ৮৬ কিলোগ্ৰামৰ অভিলেখ ভংগ কৰি ৮৮ কিলোগ্ৰাম ভাৰোত্তোলন কৰে। মহিলাৰ সাঁতোৰৰ ৮০০ মিটাৰ ফ্ৰি ষ্টাইল শাখাত দিল্লীৰ ভাব্যা সচদেৱাই সোণৰ পদক লাভ কৰে। অসমৰ শুৱনশিনি প্ৰীয়দৰ্শীনিয়ে এই শাখাত ৰূপৰ পদক লাভ কৰে।

০০০০০

হকী ইণ্ডিয়া লীগৰ এখন ছেমি ফাইনেলত কালি সন্ধিয়া ৰুৰকেলাৰ বীৰছা মুণ্ডা হকী ষ্টেডিয়ামত হায়দৰাবাদ টুফানছে জে এছ ডব্লিউ ছুৰমা হকী ক্লাবক ৩-১ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। হায়দৰাবাদ টুফানছৰ হৈ অমনদীপ লাক্ৰা, জেকব এণ্ডাৰছন আৰু নীলকান্ত শৰ্মাই গ'ল দিয়াৰ বিপৰীতে জেৰেমি হেৱাৰ্ডে ছুৰ্মাৰ হৈ একমাত্ৰ গ'লটো দিয়ে। আজি চূড়ান্ত খিতাপৰ যুঁজত হায়দৰাবাদ টুফানছৰ বিৰূদ্ধে শ্ৰাচী ৰাঢ় বেংগল টাইগাৰ্ছ অৱতীৰ্ণ হব। কালি আন এখন ছেমি ফাইনেল খেলত তামিলনাডু ড্ৰেগনছৰ বিৰুদ্ধে পেনাল্টি শুটআউটত ৬-৫ গ'লত জয়লাভ কৰি শ্ৰাচি ৰাৰহ বেংগল টাইগাৰছে ফাইনেলত প্ৰৱেশ কৰে।

ইফালে, আজি প্ৰতিযোগিতাত তৃতীয় স্থানৰ বাবে জে এছ ডব্লিউ ছুৰমা হকী ক্লাবে তামিলনাডু ড্ৰেগনছৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত